# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি তেলেংগানা আৰু ছত্তিশগড়ত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। আয়ুষ্মান ভৱ অভিযানৰ অধীনত প্ৰায় ৬৪ হাজাৰ লোকে নিজৰ অংগ দান কৰাৰ সংকল্প গ্ৰহণ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে এন এল এফ টি আৰু এ টি টি এফৰ আটাইকেইটা ফৈদক বেআইনী সংগঠন বুলি ঘোষণা কৰিছে।

৪। অসম চৰকাৰে ৰাজ্যৰ ৫টা খিলঞ্জীয়া মুছলমান সম্প্ৰদায়ৰ সৰ্বাঙ্গীন উন্নয়ন সাধনৰ বাবে আৰ্থ-সামাজিক মূল্যায়ণৰ প্ৰস্তাৱত নীতিগতভাৱে অনুমোদন জনাইছে।

***আৰু***

৫। ভাৰতে কালি এছিয়ান গেমছত দুটা সোণ, ২টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদক লাভ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি বিয়লি তেলেংগানাৰ নিজামাবাদত ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে মনোহৰাবাদ আৰু ছিড্ডিপেটৰ মাজৰ নতুন ৰে'লপথছোৱাকে ধৰি কেইবাটাও ৰে'ল প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। তেওঁ লগতে ৬ হাজাৰ কোটি টকা ব্যয়ৰে ৰামগুণ্ডমত নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় তাপ বিদ্যুৎ নিগম এন টি পি চিৰ তেলেংগানা চুপাৰ তাপবিদ্যুৎ প্ৰকল্পৰ ৮০০ মেগাৱাট ক্ষমতা সম্পন্ন প্ৰথমটো গোট মুকলি কৰে। এই কেন্দ্ৰটোৰ জৰিয়তে উৎপাদিত মুঠ বিদ্যুতৰ ৮৫ শতাংশ কম খৰচত ৰাজ্যখনত ব্যৱহাৰ কৰা হ'ব। এই প্ৰকল্পই উত্তৰ আৰু দক্ষিণ গ্ৰীডৰ মাজৰ যোগাযোগ উন্নত কৰিব আৰু প্ৰত্যক্ষ তথা পৰোক্ষ কৰ্ম-সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব। এই উপলক্ষে শ্ৰীমোদীয়ে কয় যে, পেদাপল্লীৰ নতুন বিদ্যুৎ প্ৰকল্পটো দেশৰ অত্যাধুনিক প্ৰকল্পসমূহৰ অন্যতম আৰু দ্বিতীয় পৰ্যায়ত শীঘ্ৰেই আৰু এটা বিদ্যুৎ উৎপাদন গোট স্থাপন কৰা হব।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে ছট্টিশগড়ৰ জনজাতীয় অধ্যুষিত বাষ্টাৰ সংমণ্ডলৰ মুখ্য কাৰ্যালয় জগদলপুৰত ২৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

00000

আয়ুষ্মান ভৱ অভিযানৰ অধীনত প্ৰায় ৬৪ হাজাৰ লোকে নিজৰ অংগ দান কৰাৰ সংকল্প গ্ৰহণ কৰিছে। যোৱা ছেপ্টেম্বৰ মাহত ৰাষ্ট্ৰীয় পৰ্যায়ত এই অভিযান মুকলি কৰা হৈছিল। ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ চলা **সেৱা পখৰাড়া** কাৰ্য্যসূচীৰ লগতে এই অভিযান কাৰ্যকৰী কৰা হৈছিল। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী ডাঃ মনসুখ মন্দাভিয়াইও অংগদাতা হিচাপে নিজৰ নাম পঞ্জীয়ন কৰিছে।

শ্ৰীমন্দাভিয়াই কয় যে **আয়ুষ্মান ভৱ** অভিযান যথেষ্ট সফল হৈছে আৰু জনসাধাৰণৰ ইতিবাচক সঁহাৰি লাভ কৰিছে। তেওঁ জানিবলৈ দিয়ে যে প্ৰায় ২ লাখ ৭০ হাজাৰ স্বাস্থ্য মেলাৰ আয়োজন কৰা হৈছিল য'ত এক কোটি ৬১ লাখৰো অধিক লোকে অংশগ্ৰহণ কৰি লাভান্বিত হৈছিল। তেওঁ কয় যে এই অভিযানৰ অধীনত প্ৰায় ৬৪ লাখ আয়ুষ্মান কাৰ্ড, জাৰি কৰাৰ লগতে এক কোটিতকৈও অধিক আভা কাৰ্ড কাৰ্যক্ষম কৰি তোলা হয়।

00000

কেন্দ্ৰীয় চৰকাৰে নেচনেল লিবাৰেশ্বন ফ্ৰন্ট অৱ ত্ৰিপুৰা চমুকৈ এন এল এফ টি আৰু অল ত্ৰিপুৰা টাইগাৰ ফোৰ্চ চমুকৈ এ টি টি এফৰ আটাইকেইটা ফৈদক বেআইনী কাম-কাজ প্ৰতিৰোধী আইনৰ অধীনত বেআইনী সংগঠন বুলি ঘোষণা কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়ে এই সংগঠনকেইটাক ৫ বছৰৰ বাবে নিষিদ্ধ কৰিছে। গৃহ মন্ত্ৰ্যালয়ৰ তৰফৰ পৰা কালি জাৰি কৰা এখন অধিসূচনাত এইবুলি কোৱা হৈছে যে চৰকাৰে এন এল এফ টি আৰু এ টি টি এফৰ কাম-কাজক ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ক্ষতিকাৰক আৰু সংগঠন দুটাক বেআইনী বুলি গণ্য কৰে। সংগঠনকেইটাই চৰকাৰক অৱমাননা কৰি কুটাঘাটমূলক আৰু হিংসাত্মক কাম-কাজত জড়িত হৈ আহিছে আৰু নিজৰ লক্ষ্য প্ৰাপ্তিৰ উদ্দেশ্যে জনসাধাৰণৰ মাজত সন্ত্ৰাস আৰু হিংসাৰ সৃষ্টি কৰি আহিছে। মন্ত্ৰ্যালয়ে লগতে কৈছে যে যদিহে এই সংগঠনকেইটাৰ বিৰুদ্ধে ততালিকে নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰা নহয় তেন্তে তেওঁলোকে নিজৰ ৰাষ্ট্ৰদ্ৰোহী, বিচ্ছিন্নতাবাদী আৰু হিংসাত্মক কাৰ্যকলাপ বৃদ্ধিৰ বাবে সদস্যসকলক উত্তেজিত কৰি তুলিব পাৰে। সংগঠনকেইটাই ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতাৰ প্ৰতি ক্ষতিকাৰক শক্তিসমূহৰ সৈতে লগ লাগি ৰাষ্ট্ৰ বিৰোধী কাৰ্যকলাপৰ প্ৰসাৰ কৰিব পাৰে বুলিও মন্ত্ৰ্যালয়ে মন্তব্য কৰিছে।

00000

বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ অধ্যক্ষতাত কালি ৰাজ্যখনৰ জাতিভিত্তিক সমীক্ষাৰ প্ৰতিবেদন সন্দৰ্ভত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। সমীক্ষাৰ তথ্য প্ৰকাশৰ এদিনৰ পাছতে এই বৈঠক আহ্বান কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে পুংখানুপুংখভাৱে বিশ্লেষণ কৰি এই জাতিভিত্তিক সমীক্ষা সম্পূৰ্ণ কৰা হৈছে। তেওঁ লগতে কয় যে সমীক্ষাত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ অৰ্থনৈতিক আৰু শৈক্ষিক দিশটো ওপৰত গুৰুত্ব দিয়া হৈছে।

শ্ৰীকুমাৰে লগতে কয় যে সমাজৰ দৰিদ্ৰ তথা বঞ্চিত লোকসকলৰ জীৱনধাৰণৰ মান উন্নত কৰাই সমীক্ষাৰ মূল্য লক্ষ্য। তেওঁ জানিবলৈ দিয়ে যে এই পদক্ষেপে সামাজিক কল্যাণ আঁচনিসমূহৰ সৈতে জড়িত নীতি প্ৰস্তুত আৰু

ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। বৈঠকত বিজেপি, জে ডি (ইউ), আৰ জে ডিকে ধৰি কেইবাটাও বাওঁপন্থী দলৰ নেতা, প্ৰতিনিধি কেবিনেট মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়া উপস্থিত আছিল।

ooooo

অসম চৰকাৰে ৰাজ্যৰ ৫টা খিলঞ্জীয়া মুছলমান সম্প্ৰদায় গৰিয়া, মৰিয়া, দেশী, চৈয়দ আৰু জলহাৰ সৰ্বাঙ্গীন উন্নয়ন সাধনৰ বাবে আৰ্থ-সামাজিক মূল্যায়ণৰ প্ৰস্তাৱত নীতিগতভাৱে অনুমোদন জনাইছে। কালি জনতা ভৱনত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। ইয়াৰ ফলত আৰ্থ-সামাজিক সামাজিক মূল্যায়ন সম্পূৰ্ণ হোৱাৰ লগে লগে ৰাজ্য চৰকাৰে এই সম্প্ৰদায়কেইটাৰ সামাজিক ৰাজনৈতিক, শৈক্ষিক, স্বাস্থ্য আদি দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ সমৰ্থ হ'ব। ইতিমধ্যে ৰাজ্যিক কেবিনেটে এই মুছলমান সম্প্ৰদায় কেইটাক খিলঞ্জীয়াৰ মৰ্যাদা প্ৰদান কৰিছে। আৰ্থসামাজিক মূল্যায়নৰ সিদ্ধান্তই এই সম্প্ৰদায়কেইটাৰ স্বাস্থ্য সেৱা, সাংস্কৃতিক পৰিচয়, শিক্ষা, আৰ্থিক অন্তৰ্ভুক্তি, দক্ষতা বিকাশ, মহিলা সৱলীকৰণ আদি বিষয়ৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ লোৱাৰ দিশত সহায়ক হৈ উঠিব। বৈঠকত ৰাজ্যখনৰ সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ে পহিলা অক্টোবৰত ১ তাৰিখ, এক ঘণ্টা, একেলগে উদ্যমৰ অংশ হিচাপে চলোৱা বৃহৎ চাফাই অভিযানৰ সময়ত দেশৰ ৯ লাখৰো অধিক স্থানত প্ৰায় ৮ কোটি ৭৫ লাখ লোকে অংশগ্ৰহণ কৰা আৰু শ্ৰমদান কৰা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে জনসাধাৰণৰ এই সমূহীয়া শ্ৰমদানৰ ফলত সকলো ঠাইতে পৰিষ্কাৰ পৰিচ্ছন্নতা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে পহিলা অক্টোবৰত ১ তাৰিখ, এক ঘণ্টা, একেলগে উদ্যমৰ অধীনত পথ, ৰে'লপথ, স্বাস্থ্য প্ৰতিষ্ঠান, অংগনৱাড়ী কেন্দ্ৰ, পৰ্যটনস্থলী, আৱাসীক ক'লনি, জলাশয় আৰু উপাসনা স্থলীৰ চাফাই অভিযান চলোৱা হৈছিল। স্বচ্ছ ভাৰত অভিযানৰ ৯ বছৰত ভালেমান উপলক্ষ্যত এনে সমূহীয়া প্ৰচেষ্টা চলোৱা হৈছে।

ooooo

চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতৰ পদক জয়ৰ ধাৰা অব্যাহত আছে। ভাৰতে কালি প্ৰতিযোগিতাৰ দশম দিনা দুটা সোণ, ২টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতৰ পাৰুল চৌধুৰীয়ে এথলেটিকছৰ মহিলাৰ পাঁচ হাজাৰ মিটাৰ দৌৰত সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে মহিলাৰ জেভলিন থ্ৰোত অনু ৰাণীয়ে সোণৰ পদক জয় কৰে। ইয়াৰ বিপৰীতে তেজস্বিন শংকৰে পুৰুষৰ ডেকাথলনত আৰু মহম্মদ আফজলে পুৰুষৰ ৮০০ মিটাৰ দৌৰত ৰূপৰ পদক লাভ কৰে। আনহাতে, মহিলাৰ ৪০০ মিটাৰ বাধাদৌৰত বিধ্যা ৰামৰাজে দেশৰ হকে ব্ৰঞ্জৰ পদক অৰ্জন কৰাৰ বিপৰীতে অৰ্জুন সিং আৰু সুনীল সিং চালামে পুৰুষৰ এহেজাৰ মিটাৰ ডিঙা চালনাৰ ডাবলছত ব্ৰঞ্জৰ পদক হস্তগত কৰে।

একেদৰে বক্সিঙত প্ৰীতি পাৱাৰ আৰু নৰেন্দৰ বেৰৱাল ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। ইপিনে, লাভলীনা বৰগোহাঁয়ে বক্সিঙৰ মহিলাৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। লাভলীনাই কালি ছেমিফাইনেলত থাইলেণ্ডৰ বেইছন মানিকনক ৫-০ ফলাফলত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। এই

জয়ৰ সুবাদত লাভলীনাই পেৰিছ অলিম্পিকলৈ  যোগ্যতাও অৰ্জন কৰে। একেদৰে আৰ্চাৰীত ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নমে অদিতি গোপীচান্দক ১৪৫-১৪৯ ফলাফলত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। অদিতি গোপীচান্দ এতিয়া ব্ৰঞ্জৰ পদকৰ খেলত অৱতীৰ্ণ হ'ব। ভাৰতৰ অভিষেক বাৰ্মায়ো কোৰিয়াৰ প্ৰতিদ্বন্দ্বীক ১৪৭-১৪৫ ফলাফলত পৰাস্ত কৰি পুৰুষৰ কম্পাউণ্ড শিতানৰ ব্যক্তিগত শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। এই শিতানৰ ফাইলেত অভিষেক সতীৰ্থ খেলুৱৈ অ'জাছ প্ৰবীণ দেওতোলেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইয়াৰ ফলত এই শিতানত ভাৰতে সোণ আৰু ৰূপৰ পদক পোৱাটো নিশ্চিত হৈছে।

আনহাতে, স্কোৱাছৰ মিক্সড ডাবলছত ভাৰতৰ দীপিকা পল্লিকল আৰু হৰিন্দৰ পাল সিঙ সান্ধুৰ যুটিটোৱে পুল-এ'ৰ এখন খেলত জাপানৰ বিৰুদ্ধে জয়লাভ কৰাৰ বিপৰীতে অনাহাত সিং আৰু অভয় সিঙে দক্ষিণ কোৰিয়াৰ প্ৰতিদ্বন্দিৰ বিৰুদ্ধে জয়ী হৈছে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত বৰ্তমানলৈকে ১৫টা সোণ, ২৬টা ৰূপ আৰু ২৮টা ব্ৰঞ্জসহ মুঠ ৬৯টা পদক লাভ কৰিছে। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ট্ৰেক আৰু ফিল্ডৰ এথলিট পাৰুল চৌধুৰীক চলিত এছিয়ান গেমছত মহিলাৰ ৫ হাজাৰ মিটাৰত সোণৰ পদক লাভ কৰাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে খেলুৱৈগৰাকীৰ প্ৰদৰ্শনক প্ৰশংসা কৰাৰ খেলুৱৈগৰাকীৰ সফল ভৱিষ্যত কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে মহিলাৰ জেভলিন থ্ৰোত সোণৰ পদক লাভ কৰা অনু ৰাণীকো অভিনন্দন জনায়। শ্ৰীমোদীয়ে পুৰুষৰ ডেকাথলনত ৰূপৰ পদক লাভ কৰা প্ৰীতি পাৱাৰ আৰু নৰেন্দ্ৰ বেৰৱালকো শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

**সমাপ্ত**